**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-12-2024
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

----------------------

১।	ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত আধাৰ কাৰ্ড প্ৰদান ব্যৱস্থা অধিক কঠোৰ কৰি তোলাৰ সিদ্ধান্ত গ্ৰহণ।
২।	বজালী, নলবাৰী আৰু গোলাঘাটত আজি বিকাশৰ ১২ দিন শীৰ্ষক উন্নয়ন কাৰ্যসূচী।
৩।	সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ মহানগৰ, বঙাইগাঁও আৰু চৰাইদেউ জিলাৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ। **আৰু**
৪।	ৰাজস্থানৰ জয়পুৰত হ'বলগীয়া ৪৪ সংখ্যক ছাব জুনিয়ৰ এন টি পি চি ৰাষ্ট্ৰীয় পুৰুষ আৰু মহিলা আৰ্চাৰী চেম্পিয়নশ্বিপৰ বাবে অসমৰ দলৰ নাম ঘোষণা।

০০০০০০

ৰাজ্য চৰকাৰে আধাৰ কাৰ্ড প্ৰদান ব্যৱস্থা অধিক কঠোৰ কৰি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। গুৱাহাটীৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই সন্দৰ্ভত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত এখন সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে কোনো সন্দেহযুক্ত নাগৰিকে যাতে ৰাজ্যত আধাৰ কাৰ্ড ল'ব নোৱাৰে তাৰবাবে মন্ত্ৰীসভাই আধাৰ প্ৰদানৰ ব্যৱস্থা অধিক কটকটীয়া আৰু কঠোৰ কৰি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মন্ত্ৰীসভাৰ সিদ্ধান্ত সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়ঃ

*-বাইট-*

ড° শৰ্মাই কয়, যে কোনো ব্যক্তিয়ে আধাৰৰ বাবে আৱেদন কৰাৰ প্ৰথম পৰ্যায়তে চক্ৰ বিষয়াজনে এন আৰ চি প্ৰণয়নৰ সময়ত সেই ব্যক্তিজন, পৰিয়াল বা তেওঁৰ পিতৃ-মাতৃয়ে এন আৰ চিৰ বাবে আৱেদন কৰিছিল নে নাই সেই দিশটো চালি-জাৰি চাব লাগিব। যদিহে ব্যক্তিজনে আৱেদন কৰা নাছিল তেতিয়াহ'লে আধাৰৰ বাবে তেওঁ কৰা আৱেদনখন প্ৰত্যাখ্যান হ'ব আৰু সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰক অৱগত কৰা হ'ব। অৱশ্যে ২০১৪ চনৰ পাছত ৰাজ্যলৈ অহা কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য নহ'ব।

মন্ত্ৰীসভাৰ বৈঠকত কালি ভূমিৰ খাজনা আদায় দিয়াৰ বিষয়েও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি ডিজিটেল ব্যৱস্থাৰে ভূমিৰ খাজনা আদায় দিয়াৰ লগতে পূৰ্বৰ দৰে মৌজাদাৰ কাৰ্যালয়ত গৈও খাজনা আদায় দিব পৰা যাব। মন্ত্ৰীসভাই লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত নামঘৰ, মন্দিৰ, বিদ্যালয়, ক্লাৱ, মহিলা সংঘ, সামাজিক অনুস্থান আদিক মাটিৰ পট্টা প্ৰদান ব্যৱস্থাও কিছু সৰল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুসৰি এই সামাজিক অনুষ্ঠানসমূহক ছ'চাইটী পঞ্জীয়ন কৰোতে ৩ বছৰৰ অডিট প্ৰতিবেদন দাখিল ব্যৱস্থাৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে। মন্ত্ৰীসভাই লগতে ছ'চাইটীৰ পঞ্জীয়ন নবীকৰণৰ মাছুল আদায় দিব নোৱৰাৰ বাবে দিবলগীয়া জৰিমণা ৰেহাই দিয়াৰো সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই ভূটান ৰজাৰ আমন্ত্ৰণ মৰ্মে ১৭ ডিচেম্বৰত তেওঁ ভূটানৰ ৰাষ্ট্ৰীয় দিৱসত অংশগ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে। এই যাত্ৰাৰ সময়তে ভূটানৰ সৈতে ৰাজ্যৰ অৰ্থনৈতিক সহযোগিতা বৃদ্ধিৰ বাবে জলসিঞ্চন, খোৱাপানী আঁচনি আৰু

শক্তি আহৰণ সম্পৰ্কে ভূটান চৰকাৰৰ সৈতে আলাপ-আলোচনা কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগত কালিৰে পৰা শিক্ষা, ৰাজহ, উদ্যোগ আৰু বিত্ত বিভাগৰ জৰিয়তে প্ৰতিখন জিলাতে **বিকাশৰ ১২ দিন** শীৰ্ষক উন্নয়ন কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছে। বজালী জিলাৰ ভগৱতী ক্ষেত্ৰত দিনৰ ১১ বজাত আজি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে জিলাখনৰ বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। জিলাখনৰ ৮৫৫ গৰাকী শিক্ষাৰ্থীক প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটী বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত জিলাখনৰ নৱম শ্ৰেণীত অধ্যয়নৰত এহেজাৰ ৯৭৬ গৰাকী শিক্ষাৰ্থীক চাইকেল বিতৰণ কৰাৰ লগতে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ৬০৪ গৰাকী শিক্ষাৰ্থীক নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

নলবাৰী জিলাৰ চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই জিলাখনৰ বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। জিলাখনৰ এহেজাৰ ৮৪৯ গৰাকী শিক্ষাৰ্থীক প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটী বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত জিলাখনৰ নৱম শ্ৰেণীত অধ্যয়নৰত ৮ হাজাৰ ৯৭০ গৰাকী শিক্ষাৰ্থীক চাইকেল বিতৰণ কৰাৰ লগতে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত এহেজাৰ ৩৭৬ গৰাকী শিক্ষাৰ্থীক নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

গোলাঘাট জিলাৰ সমন্বয় ক্ষেত্ৰত মন্ত্ৰী অজন্তা নেওগ আৰু অতুল বৰাই বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। জিলাখনৰ এহেজাৰ ৫৮৪ গৰাকী শিক্ষাৰ্থীক প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটী বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ১০ হাজাৰ ১১৪ গৰাকী শিক্ষাৰ্থীক চাইকেল বিতৰণ কৰাৰ লগতে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত জিলাখনৰ এহেজাৰ ৯১০ গৰাকী শিক্ষাৰ্থীক নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

০০০০০০

সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত আৰু নতুনকৈ সীমা নিৰ্ধাৰণ কৰা দীপৰ বিল, ৰাণী চাপৰি, বৰখাট, ডিমৰীয়া, সোণাপুৰ আৰু প্ৰাগজ্যোতিষপুৰ জিলা পৰিষদৰ খচৰা ভোটাৰ তালিকা কালি প্ৰকাশ কৰা হয়। ৰাজ্যিক নিৰ্বাচন আয়োগৰ শেহতীয়া নিৰ্দেশনা অনুসৰি অহা বছৰৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে গ্ৰহণ কৰি এই তালিকা প্ৰকাশ কৰা হৈছে। তালিকাক লৈ ওজৰ-আপত্তি ১৪ৰ পৰা ২১ ডিচেম্বৰলৈ দাখিল কৰিব পৰা হ'ব। এই আপত্তিসমূহ নিষ্পত্তিৰ তাৰিখ ২২ৰ পৰা ২৬ ডিচেম্বৰলৈ ধাৰ্য কৰা হৈছে। ২৮ ডিচেম্বৰত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব।

বঙাইগাঁও জিলাতো কালি পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। এই সন্দৰ্ভত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন সংবাদ মেল সম্বোধন কৰি জিলা আয়ুক্ত নৱদ্বীপ পাঠকে জিলাখনত মুঠ ৬৫০টা গাঁও পঞ্চায়ত ৱাৰ্ড, ৬৫খন গাঁও পঞ্চায়ত, ৫খন আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ ৫টা সমষ্টি আছে বুলি জানিবলৈ দিয়ে। জনসাধাৰণৰ সুবিধাৰ্থে কালি প্ৰকাশিত খচৰা ভোটাৰ তালিকা আজি আৰু কাইলৈ জিলা আয়ুক্ত কাৰ্যালয়, জিলা পৰিষদ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় তথা গাঁও পঞ্চায়ত কাৰ্যালয়সমূহত আঁৰি দিয়া হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

চৰাইদেউ জিলা পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ অন্তৰ্গত আঞ্চলিক পঞ্চায়তসমূহৰ ফটোবিহীন খচৰা ভোটাৰ তালিকাও কালি প্ৰকাশ কৰা হয়। এই সন্দৰ্ভত জিলা আয়ুক্ত ডঃ নেহা যাদৱৰ অধ্যক্ষতাত লাকুৱা, সাপেখাটী, সোণাৰি আৰু মাহমৰা আঞ্চলিক পঞ্চায়তৰ সচিবসকলৰ লগতে জিলাখনৰ বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে কালি এখন বৈঠক অনুষ্ঠিত হয়। জনসাধাৰণে ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৱেবছাইট ermssec.assam.gov.inত নিজৰ ভোটাৰ কাৰ্ডৰ এপিক নম্বৰৰ জৰিয়তে তেওঁলোকৰ নামসমূহ পৰীক্ষা কৰিব পাৰিব।

০০০০০০

ৰাজ্যৰ সকলো জাতি-জনগোষ্ঠীৰ বাবে ৰহণীয়া সাংস্কৃতিক ঐতিহ্যৰ নিদৰ্শনসমূহৰ পদ্ধতিগতভাৱে সংগ্ৰহ আৰু বিজ্ঞান সম্মত ৰূপত সংৰক্ষণ তথা সংবৰ্ধনৰ যোগেদি এক উন্নত প্ৰযুক্তি সম্বলিত মাল্টি মিডিয়া অভিলেখাগাৰ গঢ়ি তোলাৰ উদ্দেশ্যে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে এটা অভিলাষী প্ৰকল্পৰ কাম-কাজ অব্যাহত ৰাখিছে। এই প্ৰকল্প ৰূপায়ণৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহৰ সহায় হোৱাকৈ কালি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ডাঃ বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাৰ উপস্থিতিত ১২ খন বিশ্ববিদ্যালয়ৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হয়। এই অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উপ-সভাপতি জিতুল সোণোৱালকে ধৰি ভালসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

০০০০০০

মাজুলী জিলাৰ উজনি মাজুলী উন্নয়ন খণ্ডৰ অন্তৰ্গত জেঙৰাই পঞ্চায়তে ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ দীন দয়াল উপাধ্যায় পঞ্চায়ত বহনক্ষম উন্নয়ন পুৰস্কাৰৰ শিশু অনুকূল শিতানত শ্ৰেষ্ঠত্বৰ বঁটা আৰু নগাঁৰৰ বেবজীয়া ডিমৌ বাংথাই গাঁও পঞ্চায়তে নানাজী দেশমুখ সৰ্বোত্তম পঞ্চায়ত বহনক্ষম উন্নয়ন পুৰস্কাৰ শিতানত দ্বিতীয় পুৰস্কাৰ লাভ কৰিছে। ৰাজ্য চৰকাৰৰ পঞ্চায়ত আয়ুক্ত কীৰ্তি জল্লী আৰু অতিৰিক্ত আয়ুক্ত জয়ন্ত গোস্বামীয়ে কালি নতুন দিল্লীৰ বিজ্ঞান ভৱনত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ পৰা এই বঁটা গ্ৰহণ কৰে।

০০০০০০

শিৱসাগৰ জিলাৰ পানীদিহিং মৌজাৰ চোমনি মিছিং গাঁৱৰ ৰাইজৰ উদ্যোগত বিজয় পেগু ক্ষেত্ৰত পঃৰাগ উৎসৱ অনুষ্ঠিত হ'ব। পহিলা ফেব্ৰুৱাৰীৰ পৰা ৩ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'বলগীয়া এই উৎসৱৰ লাইখুঁটা কালি স্থাপন কৰা হয়। লাইখুঁটা স্থাপন অনুষ্ঠানত উদযাপন সমিতিৰ বিষয়ববীয়াকে ধৰি যথেষ্ট সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০০০০

চৰাইদেউ জিলাৰ সমাজকল্যাণ বিভাগৰ উদ্যোগত আৰু মন্ত্ৰী যোগেন মহনৰ উপস্থিতিত কালি জিলাখনৰ ৮টা আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰা হয়। ৰাজ্য চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ পুঁজিৰ পৰা সোণাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত এই অংগনবাড়ী কেন্দ্ৰসমূহলৈ ২৫ লাখ টকাকৈ আবণ্টন দিছে। আধাৰশিলা স্থাপন কাৰ্যসূচী মাহমৰা উন্নয়নৰ কেন্দ্ৰৰ বিষয়াকে শিশু উন্নয়ন বিষয়া আৰু বিভাগীয় লোক উপস্থিত থাকে।

০০০০০০

অসম আৰক্ষীয়ে কালি বাংলাদেশৰ পৰা অনুপ্ৰৱেশৰ পৰা এটা প্ৰচেষ্টা ব্যৰ্থ কৰে আৰু এই সংক্ৰান্তত দুজন লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোক দুজনক চিমু বেগম আৰু মহম্মদ উজ্জল বুলি চিনাক্ত কৰা হয়। গ্ৰেপ্তাৰ কৰা লোক দুজনক পাছত বাংলাদেশলৈ ঘূৰাই পঠোৱা হয়।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে জিলাই জিলাই পঞ্চায়ত নিৰ্বাচনৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ, আধাৰ প্ৰদানৰ ব্যৱস্থা শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে মন্ত্ৰীসভাই গ্ৰহণ কৰা সিদ্ধান্তৰ বাতৰিক বাতৰি প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাকতে অসম পৰ্যটন উন্নয়ন নিগমে কাজিৰঙাৰ প্ৰথমটো ঐতিহ্যপূৰ্ণ চৰকাৰী অতিথিশালা বণানী পৰ্যটন নিৱাস লীজত দিবলৈ প্ৰক্ৰিয়া আগবঢ়োৱাৰ বাতৰিক গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতেও প্ৰথম পৃষ্ঠাত ফটো সহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যৰ জিলাই জিলাই ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ হ'ব, প্ৰতিখন জিলাতে স্থাপন কৰা হ'ব একোখনলৈ বিশ্ববিদ্যালয়- বিকাশৰ ১২ দিন শীৰ্ষক কাৰ্যসূচী মুকলি কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰা এই ঘোষণাক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিক আন কেইবাখনো কাকতে প্ৰকাশ কৰিছে।

**অসমীয়া প্ৰতিদিন** কাকতে মন্ত্ৰী-বিধায়কৰ ৩০ শতাংশ দৰমহা বৃদ্ধিত অনুমোদন শিৰোনামেৰে অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব হিমাংশু শেখৰ দাস নেতৃত্বাধীন চাৰিজনীয়া দৰমহা কমিটীয়ে বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনৰ হাতত আনুষ্ঠানিতভাৱে চূড়ান্ত বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতে ভাৰত-বাংলাদেশ সীমান্তত মুছলমান সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিকল্পনা ৰচাৰ বাতৰি বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**অসমীয়া খবৰ** কাকতে ৰাজ্য চৰকাৰে মাইক্ৰ' ফাইনেন্সৰ ৫০ হাজাৰ টকা পৰ্যন্ত ঋণ ৰেহাই দিব বুলি মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণাৰ বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

**দৈনিক জনমভূমি** কাকতে ৰাজ্যত দ্ৰুত গতিত বৃদ্ধি নিৰনুৱাৰ শিৰোনামেৰে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰতিবেদনত প্ৰকাশ পোৱা উদ্বেগজনক তথ্য আধাৰিত এটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দৈনিক অগ্ৰদূত** কাকতে গুৱাহাটী পৌৰ নিগমৰ অধীনত চাফাই কৰ্মী নিযুক্তিৰ নামত বিয়াগোম কেলেংকাৰি সংঘটিত হোৱা বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত অন্তৰ্ভুক্ত কৰিছে।

**দি আছাম ট্ৰিবিউন** কাকতে ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে কৰা পক্ষপাতিত্বমূলক আচৰণৰ বাবেই তেওঁলোকে তেওঁক আঁতৰ কৰাৰ বাবে জাননী দাখিল কৰিবলৈ বাধ্য হোৱা বুলি কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**দ্যা ছেন্টিনেল** কাকতে অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰীৰ দুজন অভিযুক্তৰ বিৰুদ্ধে কালি চি বি আইয়ে অভিযোগনামা দাখিল কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

আহক এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooo

বতৰৰ বতৰা- বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ অহা ২৪ ঘণ্টাত আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। এই সময়ছোৱাত ৰাজ্যৰ ঠাই বিশেষে পুৱা আৰু নিশাৰ ভাগত ডাঠ কুঁৱলী পৰাৰো সম্ভাৱনা আছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা

আছিল ২৪ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে ডাঠ কুঁৱলী পৰাৰো সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

ৰাজস্থানৰ জয়পুৰত হ'বলগীয়া ৪৪ সংখ্যক ছাব জুনিয়ৰ এন টি পি চি ৰাষ্ট্ৰীয় পুৰুষ আৰু মহিলা আৰ্চাৰী চেম্পিয়নশ্বিপৰ বাবে অসমৰ দলৰ খেলুৱৈসকলৰ নাম ঘোষণা কৰা হৈছে। অহা বৰ্ষৰ ৩ৰ পৰা ১০ জানুৱাৰীলৈ হ'বলগীয়া এই প্ৰতিযোগিতাৰ বাবে অসমৰ ২৪ গৰাকী পুৰুষ আৰু মহিলা খেলুৱৈয়ে অংশগ্ৰহণ কৰিব।

০০০০০০

সমাপ্ত